# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 6-09-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে গুজৰাটৰ চুৰাটত জল সঞ্চয় জন ভাগিদাৰী কাৰ্যসূচী মুকলি কৰে।

২। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি তথা কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডাই আজি দুদিনীয়া ভ্ৰমণসূচীৰে বিহাৰলৈ যাব।

৩। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড়ত ক্ষুদ্ৰ সচিবালয় মুকলি কৰে।

৪। অন্ধ্ৰপ্ৰদেশৰ বান ক্ষতিগ্ৰস্ত বিভিন্ন অঞ্চলৰ পৰা এন ডি আৰ এফৰ দলে ৩৫০ জন লোকক উদ্ধাৰ কৰাৰ লগতে প্ৰায় ১৫ হাজাৰ লোকক স্থানান্তৰ কৰিছে।

*আৰু*

৫। স্পেইনৰ পণ্টেভেড্ৰাত অনুষ্ঠিত ২০ বছৰ অনুৰ্ধৰ বিশ্ব মল্ল যুজ প্ৰতিযোগিতাত মহিলাৰ ৭৬ কিলোগ্ৰাম ওজন ফ্ৰী ষ্টাইল শাখাত ভাৰতৰ জ্যোতি বেৰৱালে সোণৰ পদক অৰ্জন কৰিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে গুজৰাটৰ চুৰাটত জল সঞ্চয় জন ভাগিদাৰী কাৰ্যসূচী মুকলি কৰে। প্ৰধানমন্ত্ৰী মোদীৰ সহযোগিতামূলক জল ব্যৱস্থাপনাৰ দৃষ্টিভংগীৰে ৰূপায়ণ হৈ থকা **জলশক্তি অভিযান ঃ বৰষুণৰ পানী সংৰক্ষণ** অনুসৰি এই কাৰ্যসূচী লোৱা হৈছে। এই কাৰ্যসূচীৰ জৰিয়তে গুজৰাটৰ বৰষুণৰ পানী সংৰক্ষণৰ পৰিকাঠামো ৰূপায়ণৰ বাবে জনসাধাৰণ, স্থানীয় নিকায়, উদ্যোগ আৰু অন্য পক্ষসমূহক ঐক্যবদ্ধ কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে। এই কাৰ্যসূচীৰ অধীনত সমূহীয়া সহযোগিতাৰে গুজৰাটৰ বিভিন্ন অংশত বৰষুণৰ পানী সংৰক্ষণৰ উদ্দেশ্যে প্ৰায় ২৪ হাজাৰ ৮০০টা পৰিকাঠামো নিৰ্মাণ কৰা হৈছে।

০০০০০০০

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি তথা কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডাই আজি দুদিনীয়া ভ্ৰমণসূচীৰে বিহাৰলৈ যাব। ভ্ৰমণৰ সময়ছোৱাত শ্ৰীনাড্ডাই অহা বছৰ হ'বলগীয়া বিহাৰ বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত পাটনাত দলৰ নেতা-কৰ্মীসকলৰ সৈতে বৈঠকত মিলিত হ'ব। বৈঠকৰ পূৰ্বে তেওঁ বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰক সাক্ষাৎ কৰিব। পাছত তেওঁ ইন্দিৰা গান্ধী চিকিৎসা বিজ্ঞান প্ৰতিষ্ঠানলৈ যাব আৰু প্ৰতিষ্ঠানখনৰ নতুন সা-সুবিধা মুকলি কৰিব। শ্ৰীনাড্ডাৰ এই দুদিনীয়া ভ্ৰমণৰ সময়ছোৱাত স্বাস্থ্য সেৱাৰ আন্তঃগাঁথনি আৰু দলীয় ৰণকৌশল সন্দৰ্ভত বিভিন্ন কাৰ্যসূচীত ভাগ ল'ব। তেওঁ ভগলপুৰত জৱাহৰলাল নেহৰু চিকিৎসা মহাবিদ্যালয় আৰু

চিকিৎসালয়ৰ ছাত্ৰাৱাসো মুকলি কৰিব। কাইলৈ তেওঁ দাৰভাঙ্গালৈ যাব আৰু তাত প্ৰস্তাৱিত অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান নিৰ্মাণ হ'বলগীয়া স্থান পৰিদৰ্শন কৰিব। উল্লেখযোগ্য যে এই প্ৰতিষ্ঠানে উত্তৰ বিহাৰৰ স্বাস্থ্যখণ্ডৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। দাৰভাঙ্গাত এটা কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ পাছত তেওঁ কাইলৈ বিয়লি নতুন দিল্লীলৈ ঘূৰি যাব।

০০০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড়ত ক্ষুদ্ৰ সচিবালয় মুকলি কৰে। উদ্বোধনী অনুষ্ঠানত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ দপ্তৰৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ লগতে ৰাজ্যৰ কেইবাগৰাকীও মন্ত্ৰী-বিধায়ক উপস্থিত থাকে। এই সচিবালয়ে উজনি অসমৰ ডিব্ৰুগড়, তিনিচুকীয়া, লখিমপুৰ, ধেমাজি, শিৱসাগৰ, চৰাইদেউ, মাজুলী, যোৰহাট আৰু গোলাঘাট জিলাৰ প্ৰায় ৭৯ লাখ লোকৰ সৈতে প্ৰশাসনৰ সংযোগ বৃদ্ধি কৰিব আৰু ৰাজ্যিক আৰু কেন্দ্ৰীয় চৰকাৰৰ আঁচনি তথা প্ৰকল্পৰ ধাৰাবাহিক নিৰীক্ষণ আৰু স্থানীয় উন্নয়ন ত্বৰান্বিত কৰাত সহায় কৰিব। ইয়াৰ সহায়ত উজনি অসমৰ জনসাধাৰণে দিছপুৰলৈ নহাকৈ বিভিন্ন বিষয় ডিব্ৰুগড় সচিবালয়তে নিষ্পত্তি কৰিব পাৰিব। এই নতুন ব্যৱস্থাৰ অধীনত সময়ে সময়ে উজনি অসমৰ বিভিন্ন জিলাৰ চৰকাৰী বিভাগসমূহৰ কাম-কাজৰ পৰ্যালোচনাৰ লগতে উন্নয়নমূলক কামৰ বাবে অনুষ্ঠান আৰু সংস্থাসমূহৰ সৈতে সমন্বয় স্থাপন সম্ভৱপৰ হৈ উঠিব। একেদৰে চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশ আৰু নাগালেণ্ডৰ সৈতে সমন্বয় সম্পৰ্কীয় সভা অনুষ্ঠিত কৰাৰ লগতে জনসাধাৰণক পোনপটীয়াকৈ মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ৰ প্ৰশাসনিক সেৱা আগবঢ়াৰ পৰা হ'ব।

উল্লেখযোগ্য যে ডিব্ৰুগড়ৰ মাইজানত থকা ৰাজ্যিক জলসম্পদ বিভাগৰ ৰাজধানীৰ বাহিৰত এইটোৱেই হৈছে ৰাজ্যৰ প্ৰথমটো সচিবালয়।

০০০০০০০

অন্ধ্ৰপ্ৰদেশৰ বান ক্ষতিগ্ৰস্ত বিভিন্ন অঞ্চলৰ পৰা এন ডি আৰ এফৰ দলে ৩৫০ জন লোকক উদ্ধাৰ কৰাৰ লগতে প্ৰায় ১৫ হাজাৰ লোকক স্থানান্তৰ কৰিছে। তেলেংগানাত ৬৮ জন লোকক উদ্ধাৰ কৰাৰ লগতে প্ৰায় তিনি হাজাৰ ২০০ জন লোকক আন ঠাইলৈ লৈ যোৱা হৈছে। অন্ধ্ৰপ্ৰদেশ আৰু তেলেংগানাৰ শেহতীয়া বান পৰিস্থিতি আৰু উদ্ধাৰ অভিযানৰ পৰ্যালোচনা চলাই গৃহ মন্ত্ৰালয়ৰ অতিৰিক্ত সচিব সঞ্জয় কুমাৰ জিন্দালে আজি সংবাদ মাধ্যমৰ আগত এই কথা প্ৰকাশ কৰিছে। শ্ৰী জিন্দালে কয় যে, অন্ধ্ৰপ্ৰদেশত এন ডি আৰ এফৰ ২৬টা দল, ভাৰতীয় বায়ু সেনা বাহিনীৰ ৮খন হেলিকপ্তাৰ আৰু নৌ সেনাৰ তিনিখন হেলিকপ্তাৰ নিয়োগ কৰাৰ লগতে তেলেংগানাত এন ডি আৰ এফৰ সাতটা দল আৰু ভাৰতীয় বায়ু সেনা বাহিনীৰ দুখন হেলিকপ্তাৰ উদ্ধাৰ অভিযানত নিয়োগ কৰা হৈছে। তেওঁ লগতে কয় যে, ক্ষতিগ্ৰস্ত লোকসকলক এন ডি আৰ এফৰ দলসমূহে প্ৰয়োজনীয় চিকিৎসা সেৱা প্ৰদান কৰাৰ লগতে স্থানান্তিৰত পৰিয়ালসমূহৰ মাজত প্ৰয়োজনীয় খাদ্য আৰু সাহায্য সামগ্ৰী বিতৰণৰ ক্ষেত্ৰত স্থানীয় প্ৰশাসনকো সহায় আগবঢ়াইছে। তেওঁ কয় যে, ভাৰতীয় বায়ু সেনা বাহিনী আৰু নৌ সেনাই হেলিকপ্তাৰৰ জৰিয়তে প্ৰায় ৭১ হাজাৰ কিলোগ্ৰাম খাদ্য-সামগ্ৰীৰ যোগান ধৰিছে।

০০০০০০০

সামাজিক ন্যায় আৰু নিয়োগ বিভাগৰ ৰাজ্যমন্ত্ৰী ৰামদাস আঠাৱালে আজি দুদিনীয়া ভ্ৰমণসূচীৰে নাগালেণ্ডলৈ যাব। মন্ত্ৰীগৰাকীয়ে আজি বিয়লি ৰাজ্যখনত উপস্থিত হোৱাৰ পাছত চোবিমা চুমৌকেদিমাত থকা

ব্যক্তিগত বাসগৃহত নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেইফিঅ' ৰিঅ'ক সৌজন্যমূলক সাক্ষাৎ কৰিব। ইয়াৰ পাছত শ্ৰীআঠাৱালেই বিয়লি চাৰি মাইলৰ এগ্ৰি এক্সপোত মণ্ডি প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। দিল্লীলৈ ৰাওনা হোৱাৰ পূৰ্বে তেওঁ কাইলৈ নাইথু ৰিজোৰ্টত ৰাজ্যখনৰ সমাজ কল্যাণ বিভাগৰ বিষয়াসকলৰ সৈতে বৈঠকত ভাগ ল'ব।

0000000

জম্মু কাশ্মীৰৰ আসন্ন বিধানসভাৰ দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে ইতিমধ্যে দাখিল কৰা মনোনয়ন পত্ৰসমূহ আজি পৰীক্ষা কৰা হৈছে। এই পৰ্যায়ৰ বাবে ৩১০ গৰাকী প্ৰাৰ্থীয়ে তেওঁলোকৰ মনোনয়নপত্ৰ দাখিল কৰিছে। কালি মনোনয়নপত্ৰ দাখিল প্ৰক্ৰিয়াৰ সামৰণি পৰে। দ্বিতীয় পৰ্যায়ত অহা ২৫ ছেপ্তেম্বৰত জম্মু-কাশ্মীৰৰ ছখন জিলাৰ ২৬টা বিধানসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। এই পৰ্যায়ৰ বাবে ৩১০ গৰাকী প্ৰাৰ্থীয়ে মুঠ ৩২৯ খন মনোনয়নপত্ৰ দাখিল কৰিছে। জম্মু-কাশ্মীৰত তিনিটা পৰ্যায়ত বিভানসভা নিৰ্বাচন অনুষ্ঠিত হ'ব।

0000000

কেন্দ্ৰীয় গৃহমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহে দলীয় ইস্তাহাৰ প্ৰকাশ কৰাৰ লগতে ৰাজনৈতিক সমাৰেশত ভাষণ দিয়াৰ উদ্দেশ্যে দুদিনীয়া কাৰ্যসূচীৰে আজি জম্মু কাশ্মীৰলৈ যাব। আমাৰ সংবাদদাতাই জনোৱা মতে তেওঁৰ এই ভ্ৰমণৰ বাবে জম্মুত প্ৰয়োজনীয় সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলা হৈছে। বিজেপিৰ জম্মু-কাশ্মীৰৰ সাধাৰণ সম্পাদক অশোক কৌলে কৈছে যে, শ্ৰী শ্বাহৰ এই ভ্ৰমণে দলীয় কৰ্মকৰ্তাসকলৰ লগতে প্ৰাৰ্থীসকলকো উৎসাহ প্ৰদান কৰিব। শ্ৰী শ্বাহে ছেপ্তেম্বৰৰ মাজভাগত কাশ্মীৰলৈও যাব আৰু তাত তেওঁ কেইবাটাও নিৰ্বাচনী সমাৰেশত অংশগ্ৰহণ কৰাৰ লগতে দলৰ জ্যেষ্ঠ নেতাসকলক সাক্ষাৎ কৰি নিৰ্বাচনী প্ৰচাৰ অভিযানৰ পৰ্যালোচনা কৰিব।

0000000

কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে, দলৰ প্ৰাক্তন মুৰব্বী ছোনীয়া গান্ধী আৰু ৰাহুল গান্ধী আৰু এ আই চি চিৰ সাধাৰণ সম্পাদক প্ৰিয়ংকা গান্ধী ভদ্ৰাৰ লগতে কংগ্ৰেছৰ অন্যান্য তাৰকা প্ৰচাৰকসকলে জম্মু-কাশ্মীৰৰ বিধানসভা নিৰ্বাচনৰ বাবে দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ অভিযানত নামি পৰিছে। আমাৰ সংবাদদাতাই জনোৱা মতে জয়ৰাম ৰমেশ, কে চি বেনুগোপাল, শচীন পাইলট, গুলাম আহমদ মীৰ, হিমাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী সুখবিন্দৰ সিং আৰু উপ-মুখ্যমন্ত্ৰী মুকেশ অগ্নিহোত্ৰীয়েও দলৰ হৈ প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰিছে।

0000000

তথ্য আৰু সম্প্ৰচাৰ তথা ইলেক্ট্ৰনিকছ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কালি টকিঅ'ত জাপানৰ ডিজিটেল পৰিৱৰ্তন মন্ত্ৰী তাৰ' কোনোৰ সৈতে বৈঠকত মিলিত হৈ ভাৰত-জাপান ডিজিটেল সম্পৰ্ক অধিক শক্তিশালী কৰা সন্দৰ্ভত আলোচনা কৰে। দুয়োগৰাকী নেতাই ডিজিটেল পটভূমিৰ লগতে প্ৰযুক্তিগত উন্নয়ন খণ্ডত উদ্ভাৱন আৰু সহযোগিতাৰ বিভিন্ন দিশ অন্বেষণ সন্দৰ্ভত বিষদভাবে আলোচনা কৰে।

ইয়াৰ পূৰ্বে শ্ৰী বৈষ্ণৱে জাপানৰ প্ৰধানমন্ত্ৰীৰ বিশেষ উপদেষ্টা মাছাফুমি ম'ৰিৰ সৈতে ভাৰত আৰু জাপানৰ মাজৰ কৌশলগত অংশিদাৰিত্বই ভৱিষ্যৎ গতিপথ সন্দৰ্ভত আলোচনা কৰে। ৰে'ল মন্ত্ৰ্যালয়ৰো দায়িত্বত থকা শ্ৰী বৈষ্ণৱে এই ভ্ৰমণৰ সময়ত জাপানৰ ভূমি, আন্তঃগাঁথনি, পৰিবহন আৰু পৰ্যটন মন্ত্ৰী টেটচ্যু চাইটোৰ সৈতেও

ফলপ্ৰসু আলোচনাত মিলিত হয়। দুয়োগৰাকী নেতাই দেশ দুখনৰ মাজত ৰে'ল সহযোগিতা বৃদ্ধি কৰাৰ লগতে অৰ্থনৈতিক উন্নয়ন আৰু সাংস্কৃতিক সম্পৰ্ক অধিক সুদৃঢ় কৰাৰ বিষয় লৈ আলোচনা কৰে।

০০০০০০০

ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনে কয় যে, ইউক্ৰেইনৰ সংকটক লৈ সম্ভাব্য শান্তি আলোচনাত ভাৰত, ব্ৰাজিল আৰু চীনে মধ্যস্থতাকাৰী হিচাপে কাম কৰিব পাৰে। ইষ্টাৰ্ন ইক'ন'মিক ফ'ৰামৰ পূৰ্ণাংগ অধিৱেশনত ভাষণ দি ৰাছিয়াৰ ৰাষ্ট্ৰপতিয়ে কয় যে, ভাৰত, ব্ৰাজিল আৰু চীনে ইউক্ৰেইনৰ পৰিস্থিতি উন্নত কৰাৰ বাবে প্ৰচেষ্টা চলাইছে। ইউক্ৰেইনৰ পৰিস্থিতি সন্দৰ্ভত ভাৰত, চীন আৰু ব্ৰাজিলৰ সৈতে তেওঁ অহৰহ যোগাযোগত আছে বুলি উল্লেখ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মস্কো ভ্ৰমণ আৰু শেহতীয়াকৈ ইউক্ৰেইন ভ্ৰমণৰ পাছত পুটিনৰ এই মন্তব্য প্ৰকাশ পাইছে। প্ৰধানমন্ত্ৰী মোদীয়ে ভ্ৰমণৰ সময়ত ৰাছিয় আৰু ইউক্ৰেইনৰ মাজত চলি থকা যুদ্ধ সন্দৰ্ভত ভাৰতৰ স্থিতি পুনৰবাৰ উল্লেখ কৰি ভাৰতৰ সদায় শান্তিৰ পক্ষত আছে বুলি স্পষ্ট কৰি দিছিল।

০০০০০০০

স্পেইনৰ পণ্টেভেড্ৰাত অনুষ্ঠিত ২০ বছৰ অনুৰ্ধৰ বিশ্ব মল্ল যুজ প্ৰতিযোগিতাত মহিলাৰ ৭৬ কিলোগ্ৰাম ওজন ফ্ৰী ষ্টাইল শাখাত ভাৰতৰ জ্যোতি বেৰৱালে সোণৰ পদক অৰ্জন কৰিছে। কালি অনুষ্ঠিত প্ৰতিযোগিতাৰ ফাইনেলত জ্যোতিয়ে ইউক্ৰেইনৰ মাৰিয়া অৰ্লেভিছ্‌ক পৰাজিত কৰি এই খিতাপ অৰ্জন কৰে। ইয়াৰ পূৰ্বে খেলুৱৈগৰাকীয়ে মংগোলীয়া, চীন আৰু তুৰস্কৰ প্ৰতিদ্বন্দ্বিক পৰাস্ত কৰিছিল। ২০ বছৰ অনুৰ্ধৰ এই বিশ্ব চেম্পিয়নশ্বিপৰ মহিলাৰ ৭৬ কিলোগ্ৰাম ওজন শাখাত এয়া হৈছে ভাৰতৰ একেৰাহে দ্বিতীয়টো খিতাপ। ইয়াৰ পূৰ্বে যোৱা বছৰ প্ৰিয়া মালিকে এই শিতাপন অৰ্জন কৰিছিল। একেটা শাখাতে ভাৰতৰ আন দুগৰাকী মল্লযোদ্ধাই আৰু দুটা পদক অৰ্জন কৰিছে। ৫৯ কিলোগ্ৰাম ওজন শাখাত কোমল আৰু ৬৮ কিলোগ্ৰাম ওজন শাখাত সৃষ্টিয়ে ব্ৰঞ্জৰ পদক অৰ্জন কৰে। পুৰুষৰ ফ্ৰী ষ্টাইল শিতানৰ খেলসমূহো আজিৰে পৰা অনুষ্ঠিত হ'ব।

০০০০০০০

**সমাপ্ত**